দেশ

উৰণৰ পূৰ্বে Air India-ৰ বিমান অপহৰণৰ ভাবুকি, কলকাতা বিমানবন্দৰত নিৰাপত্তাজনিত সতর্কতা

কলকাতাৰ নেতাজী সুভাষ চন্দ্ৰ বসু আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰৰ পৰা মুম্বাই অভিমুখে উৰা মৰাৰ পূৰ্বে Air India-ৰ AI 772 বিমানখনত অপহৰণৰ ভাবুকি উদ্ধাৰ হয়। বিমানখনৰ শৌচাগাৰৰ আইনাত লিখা ভাবুকিৰ বার্তাটোত পুৱা ১১.১০ বজাত বিমানখন অপহৰণ কৰাৰ কথা উল্লেখ আছিল। ঘটনাৰ পাছতে যাত্ৰীসকলক বিমানৰ পৰা নমাই বিমানখন নিৰাপত্তা পৰীক্ষাৰ বাবে নির্দিষ্ট স্থানলৈ স্থানান্তৰ কৰা হয়। নিৰাপত্তা বাহিনীয়ে তালাচী অভিযান আৰম্ভ কৰিছে। ভাবুকিটো প্ৰকৃত নে ভুৱা, সেয়া এতিয়াও নিশ্চিত হোৱা নাই।

প্ৰকাশ: ১১ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:৩৮



Air India (Social Media)

কলকাতা, ১১ নৱেম্বৰ: কলকাতাৰ নেতাজী সুভাষ চন্দ্ৰ বসু আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত বুধবাৰে পুৱা সৃষ্টি হয় নিৰাপত্তাজনিত উদ্বেগ। মুম্বাই অভিমুখী Air India-ৰ এখন বিমান উৰণৰ ঠিক পূৰ্বে অপহৰণৰ ভাবুকি লাভ কৰাত বিমানবন্দৰ কর্তৃপক্ষই তৎপৰতা অৱলম্বন কৰে।

প্ৰকাশিত তথ্য অনুসৰি, AI 772 নম্বৰৰ বিমানখন পুৱা ১০.২০ বজাত কলকাতাৰ পৰা মুম্বাইলৈ উৰা মৰাৰ কথা আছিল। উৰণৰ প্ৰস্তুতি চলি থকাৰ সময়তে বিমানখনৰ শৌচাগাৰৰ আইনাত অপহৰণৰ ভাবুকি সম্বলিত এটা

© 2026 NewzNow

বার্তা লিখা থকা দেখা পায় কেবিন ক্রুৱে। বার্তাটোত পুৱা ১১.১০ বজাত বিমানখন অপহৰণ কৰা হ’ব বুলি উল্লেখ আছিল।

ঘটনাটো পোহৰলৈ অহাৰ লগে লগে বিমানখনৰ পাইলটে Air Traffic Control (ATC)-ক অৱগত কৰে। ইয়াৰ পাছতে নিৰাপত্তা প্ৰট'কল অনুসৰি বিমানখনক মূল স্থানৰ পৰা আঁতৰাই বিমানবন্দৰৰ নির্দিষ্ট Isolation Bay-লৈ স্থানান্তৰ কৰা হয়।

বিমানখনত থকা যাত্রীসকলক নমাই দিয়া হয়। নিৰাপত্তা বাহিনী, অগ্নিনির্বাপক বাহিনী আৰু বোমা নিষ্ক্রিয়কৰণৰ সৈতে জড়িত দলক তালাচী অভিযানত নিয়োজিত কৰা হয়। বিমানখনৰ ভিতৰভাগ আৰু আন সন্দেহজনক স্থানসমূহ পৰীক্ষা কৰাৰ ব্যৱস্থা কৰা হয়।

কলকাতা বিমানবন্দৰৰ সঞ্চালক বিক্রম সিঙে জনোৱা মতে, ভাবুকিৰ বার্তাটো বিমানখনৰ শৌচাগাৰত উৰণৰ ঠিক পূর্বে উদ্ধাৰ কৰা হৈছিল। ঘটনাটোৰ পাছতে সকলো নিৰাপত্তাজনিত ব্যৱস্থা গ্রহণ কৰা হয়।

ইফালে, বার্তাটো কোনে লিখিছিল আৰু ইয়াৰ আঁৰত কোনো প্রকৃত অপহৰণৰ পৰিকল্পনা আছিল নে নাই, সেই সন্দর্ভত তদন্ত চলি আছে। বর্তমানলৈকে ভাবুকিটো প্রকৃত আছিল নে ভুৱা, সেয়া নিশ্চিত হোৱা নাই।

উল্লেখ্য যে, বিমানখনৰ নিৰাপত্তা পৰীক্ষা সম্পূর্ণ নোহোৱালৈকে ইয়াক পৃথক স্থানত ৰখাৰ ব্যৱস্থা কৰা হয়।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/2016/klkata-mumbai-eza-indiza-ophn-vabuki